অসম

মিচিং স্পৰ্টছ্ কার্নিভেলত দুর্নীতিৰ অভিযোগ নস্যাৎ টিএমপিকেৰ সভাপতি তিলক দলেৰ

মিচিং স্পৰ্টছ্ কার্নিভেলত দুর্নীতি হোৱাৰ অভিযোগ নস্যাৎ কৰিলে টিএমপিকেৰ সভাপতি তিলক দলেয়ে। ভিত্তিহীন অভিযোগকাৰীৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ সকীয়নি।

প্রকাশ: ২৯ নৱেম্বৰ ২০২৬, আবেলি ৬:৪২



মিচিং স্বায়ত্তশাসিত পৰিষদৰ ৩৮ টা পৰিষদীয় সমষ্টিত সোমবাৰে অনুষ্ঠিত হ'বলগীয়া ভোটগ্রহণৰ প্রাকক্ষণত মিচিং স্পৰ্টছ্ কার্নিভেলক লৈ উত্থাপিত দুর্নীতিৰ অভিযোগ নস্যাৎ কৰিছে টাকাম মিচিং পৰিণ কৌবাং চমুকৈ টিএমপিকিয়ে। পৰিষদৰ উন্নয়নমূলক আঁচনি আৰু স্পৰ্টছ্ কার্নিভেলৰ নামত পুঁজিৰ অপব্যৱহাৰ হোৱা বুলি ওলোৱা অভিযোগ সন্দর্ভত প্রতিক্রিয়া প্রকাশ কৰিছে সংগঠনটোৰ সভাপতি তিলক দলেয়ে।

টিএমপিকেৰ সভাপতিগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে এটা বৃহৎ অনুষ্ঠান আয়োজন কৰিলে খাদ্য যোগান ধৰাটো স্বাভাৱিক আৰু বাধ্যতামূলক। কিন্তু তাকেই দুর্নীতি বুলি কোৱা কথাটো কোনোপধ্যেই গ্রহণযোগ্য নহয় বুলি তেওঁ অসন্তোষ প্রকাশ কৰে।

তিলক দলেয়ে কয় যে গুৱাহাটীত বহি মনেসজা কাহিনীৰে প্রচাৰ চলাই থাকিলেই নহ'ব, ৰাইজৰ সন্মুখত প্রমাণ দাঙি ধৰিব লাগিব। নির্বাচনৰ ঠিক পূর্বে মিচিং স্বায়ত্তশাসিত পৰিষদ নাইবা মিচিং স্পৰ্টছ্ কার্নিভেলক লৈ কিয় এনে প্রশ্ন উত্থাপন কৰা হৈছে বুলিও তেওঁ ওলোটাই প্রশ্ন কৰে। সংগঠনটোৱে সদায় দুর্নীতিমুক্ত সমাজ গঢ়াৰ চেষ্টা কৰি আহিছে আৰু তথ্যসহকাৰে প্রমাণ দিলে নিশ্চয় ব্যৱস্থা গ্রহণ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে।

তেওঁ আৰু কয় যে ৩ নৱেম্বৰত সকলো স্পষ্ট হৈ পৰিব। ক'ত দুর্নীতি হৈছে সেয়া দেখুৱাই দিলে ব্যৱস্থা লোৱা হ'ব

বুলি উল্লেখ কৰি সভাপতিগৰাকীয়ে সকীয়াই দিয়ে যে ৩ নৱেম্বৰৰ পাছত এনে ভুৱা তথ্য প্ৰচাৰ কৰা লোকসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7713/tmpk-tilak-doley-refutes-mising-sports-carnival-corruption